بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡد

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৭ চনৰ ২৫ আগষ্টত মছজিদ বায়তুল ফুতুহ, মৌৰডন, লণ্ডনত প্রদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

যদি আমি আঁহজৰত (ছাঃ) ক এজন সত্য নবী হিচাপে মানি লৈছো তেন্তে তেখেত (ছাঃ) ৰ প্রত্যেক আমল আমাৰ বাবে জীৱণাদর্শ। ইবাদতৰ সৈতে তেখেত (ছাঃ) ৰ উত্তম চৰিত্রত আমাৰ বাবে আদর্শ স্বৰূপ।
আঁহজৰত (ছাঃ) ৰ প্রতি প্রেম, ভালপোৱা কেৱল মুখৰ দাবী হ'ব নালাগে, ইয়াৰে শ্লোগান দিব নালাগে বৰং তেখেত (ছাঃ) ৰ সুন্দৰ জীৱণাদর্শ আদৰি হৃদয়ত থাপিলৈ তেখেত (ছাঃ) ৰ প্রতি ভালপোৱা আৰু প্রেমৰ চিন প্রকাশ কৰা উচিত।

তাশ্বাহুদ, তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; আমি সাধাৰণতে জলছাত অংশগ্রহন কৰাৰ বাবে ইয়াতে বা কোনো ঠাইতে সমবেত হওঁ। প্রত্যকজন আহমদীয়েই জানে যে আমাৰ জলচাত অংশগ্রহন কৰাটো কোনো পার্থিব উদ্দেশ্য সাধনৰ বাবে নহয় বৰং এই বাবেই যে ইয়াতে এটা আধ্যাত্মিক পৰিবেশত থাকি নিজৰ আধ্যাত্মিক জ্ঞানত উন্নতি আৰু নিজৰ শৈক্ষিক দক্ষতা বৃদ্ধি,নিজৰ বিশ্বাস দৃঢ় আৰু নিজৰ আমলৰ অৱস্থা যেন আল্লাহ তায়লাৰ হ'ক আৰু বান্দাৰ হ'ক আদায় কৰিব পৰা যায়। গতিকে জলছাত যোগদান কৰাৰ উদ্দেশ্য সমুহ আমি সদায় নিজৰ দৃষ্টি পটত ৰাখিব লাগিব।

এতিয়া মই হজৰত মছিহ মাওউদ (আঃ) য়ে এই বিষয়ে দি থৈ যোৱা কিছুমান উদৃত্তি উল্লেখ কৰিবলৈ লৈছো; বিশ্বাসৰ প্রভাৱে আমলৰ (কাৰুকার্য্য) ওপৰত ক্রিয়া কৰে। এই বিষয়ে বর্ণাবলৈ গৈ হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে; ইছলামৰ দুটা ভাগ আছে। এটা হ'ল এয়া যে খোদা তায়লাৰ সৈতে কাকো অংশীদাৰ পতা নহয় আৰু তাৰ দয়াৰ পৰিবর্ত্তে তাৰ পূর্ণ আনুগত্য কৰা। আন এটা ভাগ হ'ল এয়া যে সৃষ্টি জীৱৰ হ'ক চিনাক্ত কৰি লোৱা আৰু সেয়া পূর্ণ আদায় দিয়া।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে; যিজনে সত্য আৰু নিস্বার্থ ভাৱে বিশ্বাস ধাৰণ কৰি থাকে আৰু খোদা তায়লাৰ সৈতে অংশীদাৰ নাপাতে, তাৰ আমল নিজে নিজেই উত্তম হিচাপে ওলাই পৰিব। এয়াই হ'ল সেই কাৰণ যে মুছলমান সকলে সত্য বিশ্বাস সমুহ যেতিয়া এৰি পেলাইছে, তেতিয়া গৈ দাজ্জালক খোদা মানিবলৈ লৈছে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; এতিয়া মই দেখিবলৈ পাই আঁছো যে ডাঙৰ-ডাঙৰ শক্তি সমপন্ন চৰকাৰেও জাগতিক শক্তিক খোদা মানিবলৈ লৈছে, তেওঁলোকৰ তলতীয়া হবলৈ লৈছে। একেবাৰে ব্যক্তিৰ পৰা চৰকাৰলৈ এই একেই অৱস্থা। হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে; খোদা তায়লা মোক বাৰবাৰ কৈছে; **আলখায়ৰু কুল্লুহু ফিল কোৰ'আন**। ইয়াৰ শিক্ষা হ'ল; খোদা এক, অংশীদাৰহীন। যি কোৰ'আন কৰিছে কৈছে সেয়া সম্পূর্ণ ৰূপে সত্য। সকলো প্রকাৰ কল্যাণ কোৰ'আন কৰিমত বিচাৰি চোৱা আৰু আল্লাহ তায়লাৰ ইবাদত কৰা তাৰ হ'ক আদায় কৰা, লগতে বান্দাৰ যি হ'ক সেয়াও প্রদান কৰা।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে; এই ছিলছিলা প্রতিষ্ঠা হোৱাৰ উদ্দেশ্য হ'ল এয়া যে; লোকে খোদা তায়লাৰ সম্পর্কে জ্ঞান লাভ কৰক লগতে দোৱা আৰু ইবাদতৰ গূঢ়ার্থ বুজি পাওঁক। তেখেত (আঃ) য়ে কৈছে যে; যেনেকৈ প্রথমজন লোক যিজনে কেৱল দোৱা কৰে কিন্তু চেষ্টা নকৰে, তেওঁ ভুলতে ৰৈ আছে, এনেদৰে যি জনে আকৌ চেষ্টা কেই যথেষ্ট বুলি ভাৱে তেওঁ গোনাহগাৰ। কিন্তু চেষ্টা আৰু দোৱা এইদুয়োটাৰ মিশ্রণ কৰাটোৰে হ'ল ইছলাম।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে; গোনাহ আৰু অলসতাৰ হাতসাৰিবলৈ যৎপৰনাস্তি চেষ্টা কৰা আৰু দোৱা কৰা।

সেয়ে ছুৰা ফাতিহাৰ মাজত এই দুটা বিষয়ৰ ওপৰত দৃষ্টি দি উল্লেখ কৰিছে যে; যেতিয়া মোমিনে (ইয়াকানাবুদু) উচ্চাৰণ কৰে অৰ্থাৎ আমি তোমাৰেই আৰাধনা কৰো, তেতিয়া লগে লগেই এই ধাৰণা উপজে যে; মই নো কি বস্তু যে আল্লাহ তায়লাৰ ইবাদত কৰিম, যেতিয়া লৈকে তাৰ কৃপা আৰু কৰুণা লভিব নোৱাৰো। সেই বাবে লগে লগেই কোৱা হয়; **ইয়াকানাছতাঈন** অৰ্থাৎ তোমাৰেই মাথোন সহায় বিচাৰোঁ। এয়া অতি সূক্ষ্ম বিষয় যি ইছ্লামৰ বাহিৰে অইন কোনো ধৰ্মই বুজিয়ে নেপায়। কিন্তু বৰ্তমান যুগত মানুহৰ অৱস্থা এনে হৈছে যে চেষ্টা কৰে অথচ দোৱাৰ প্ৰতি অলসতা দেখুৱায়। পাৰ্থিব সামগ্ৰীৰ আৰাধনা ইমানেই বাঢ়ি গৈছে যে চেষ্টা প্ৰচেষ্টাৰ জগত খনক খোদা বনাই লৈছে। দোৱাৰ প্ৰতি হাঁহি ঠাট্টা আৰু অযথা বস্তু গণ্য কৰা হৈ আছে। সাধাৰণতে এয়া ইউৰোপৰ দেখা দেখি ভাব পৰিছে এয়া মাৰাত্মক বিষ যি পৃথিৱীত বিস্তাৰ লাভ কৰি আছে। কিন্তু খোদা তায়লা এই বিষ দুৰ কৰিবৰ বাবে এই ছিলছিলা প্ৰতিষ্ঠা কৰিছে।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে; সকলোৱে মনত ৰাখিবা যে আনুষ্ঠানিক ভাৱে বয়াতৰ অৰ্ন্তভুক্ত হোৱা, মোক ইমাম হিচাপে মানি লোৱাটোৱেই মুক্তিৰ বাবে যথেষ্ট নহয়। কাৰণ আল্লাহ তায়লা হৃদয়ৰ কোণলৈকে দেখিবলৈ পায়। মুক্তিৰ সন্ধানত আল্লাহ তায়লা বাৰ বাৰ কৈছে যে; প্ৰকৃত হৃদয়েৰে আল্লাহ তায়লাক এক অংশীদাৰ বিহীন জ্ঞান কৰি, আঁহজৰত (ছাঃ) ক সত্য নবী বুলি বিশ্বাস কৰি আৰু কোৰ'আন আল্লাহৰ কিতাপ বুলি জ্ঞান কৰি, বুজি লওঁক যে এতিয়াৰ পৰা কিয়ামত পৰ্যন্ত কোনো কিতাপ আৰু চৰিয়ত আহিব নোৱাৰে।

বহুত লোকেই এয়া অভিযোগ কৰে যে; হজৰত মছিহ মাওউদ (আঃ) য়ে আহি এয়া নতুন ছিলছিলা এটা প্ৰতিষ্ঠা কৰাৰ কি প্ৰয়োজন আছিল ? ইয়াৰ উত্তৰত কৈছে যে; ইমানৰ শক্তি নিস্তেজ হৈ পৰিছে আৰু আল্লাহ তায়লা বিচাৰে যে এই ছিলছিলাৰ জৰিয়তে প্ৰকৃত ঈমানৰ ৰোহ সঞ্জীৱিত হওঁক। এনেকুৱা অৱস্থাত মানুহৰ আপত্তি অযথা বুলি প্ৰমাণিত হয়। গতিকে মনত ৰাখিবা যে এনেকুৱা কুমন্ত্ৰণা কেতিয়াও হৃদয়ত উদয় হবলৈ সুবিধা দিব নালাগে। যদি গমি-চিন্তি কাম কৰে তেন্তে এনে ধৰণৰ প্ৰৰোচনা মনত উদয় হ'ব নোৱাৰে। আমি প্ৰকৃত শান্তি সম্প্ৰীতি স্থাপন কৰিব বিচাৰো যিয়ে মানুহক পাপৰ মৰণৰ পৰা প্ৰৰিত্ৰাণ দিয়ে আৰু পৰম্পৰাগত অভ্যাসৰ জৰিয়তে মানুহে বাহ্যিক বিভাগহে দেখিবলৈ পায় গূঢ়াৰ্থ দেখিবলৈ নাপায় এওঁলোকৰ হাতত আছে মাত্ৰ বাকলি যাৰ ভিতৰত মগজু নাই।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; গতিকে যিহেতু তেখেত (আঃ) ৰ আবিৰ্ভাৱৰ উদ্দেশ্য হ'ল আল্লাহ তায়লাৰ সৈতে মানৱৰ সম্পৰ্ক সৃষ্টি কৰা আৰু আঁহজৰত (ছাঃ) ৰ মহত্বৰ পৰিচয় ঘটোৱা, কোৰ'আন কৰিমৰ নিৰ্দেশ কাৰ্যকৰী কৰোৱা, সেয়ে আমি যি সকলে তেখেত (আঃ) ৰ শৰণ লৈছো সকলোৱে নিজৰ নিজৰ বিশ্বাস আৰু আমলৰ সেই অনুপাতে সংশোধন কৰি লোৱা উচিত। আকৌ আমি নিৰীক্ষণ কৰিব লাগিব যে আমাৰ বয়াতে প্ৰকৃত ৰং ধাৰণ কৰিব পাৰিছেনে, নেকি মুখতে কেৱল বয়াতৰ দাবী। আমাৰ ইবাদত আল্লাহ তায়লাৰ একক একেশ্বৰত বিশ্বাস কৰি অনুষ্ঠিত হয়নে নহয়। বহুতো আহমদী আছে যি সকলে পাঁচ ওয়াক্ত নমাজ নপঢ়ে বৰং মোক কয় যে দোৱা কৰি দিব যাতে আমি নমাজ পঢ়ো। মুঠতে এয়া হ'ল আচলভিত্তি স্তম্ভ। যিটো প্ৰত্যেক আহমদী, প্ৰত্যেক মোমিন, প্ৰত্যেক মুছলমানৰ বাবে ফৰজ। হজৰত মছিহ মাওউদ (আঃ) ৰ বয়াতলৈ অহাৰ পিছত অতি আগ্ৰহেৰে নমাজ পঢ়া উচিত। এয়া হোৱা উচিত নহয় যে নমাজ নপঢ়ি কয় যে দোৱা কৰিব আমি যেন নমাজ পঢ়ো। যিহেতু নিজে নিজে বুজি পায় যে নমাজ নপঢ়িলে বেলেগ কোনো এটা তদবীৰ কৰিব লাগিব। নিজে চেষ্টা আৰু দোৱা কিয় নকৰে ? যেতিয়া اياك نعبد واياك نستعين উচ্চাৰণ কৰে তেতিয়া হৃদয়ৰ গভীৰতাৰে ইয়াৰ ওপৰত আমল কিয় নকৰে। আঁহজৰত (ছাঃ) ক যিহেতু আমি সত্য নবী হিচাপে মানি লৈছো সেয়ে তেখেত (ছাঃ) ৰ প্ৰত্যেক আমল আমাৰ বাবে আদৰ্শ। ইবাদতৰ সৈতে তেখেত (ছাঃ) ৰ প্ৰতিটো চৰিত্ৰ আমাৰ বাবে আদৰ্শ স্বৰূপ সমাজ, নিজৰ ঘৰ, পৰিয়াল বৰ্গ, পত্নী সকলোৱে সৈতে উত্তম চৰিত্ৰ আৰু আচৰণৰ আদৰ্শ স্থাপন কৰি থৈগৈছে। এনেদৰে নিজৰ আত্মীয় স্বজনৰ বাদে বেলেগৰ সৈতেও কাজিয়া বিবাদৰ পৰা দুৰত থাকি সিহঁতৰ আবেগ অনুভুতিৰ ফালে দৃষ্টি দিবলৈ আঁহজৰত (ছাঃ) য়ে আমাক শিকাইছে। মানুহৰ আমানত আত্মসাৎ নকৰিবলৈ ইছলামে কঠোৰ নিৰ্দেশ দিছে। যিকোনো অৱস্থাতেই কোমলতা আৰু নম্ৰতা প্ৰদৰ্শন কৰা সত্যবাদীতাৰ চৰম মানদণ্ড প্ৰতিষ্ঠা কৰা, আদি সকলোবোৰ গুণাৱলী তেখেত (ছাঃ) ৰ মাজত বিদ্যমান আছিল। যদি সচাঁকৈয়ে আমি আঁহজৰত (ছাঃ) ক সত্য নৱী বুলি মানি লওঁ আৰু হজৰত মছিহ মাওউদ (আঃ) ক তেখেত (ছাঃ) ৰ সত্য প্ৰাণ দাস

হিচাপে পঠোৱা যুগৰ ইমাম হিচাপে মানি লওঁ তেন্তে নিজৰ আমল, ইবাদতৰ মান উন্নত কৰিব লাগিব। কোৰ'আন কৰিমৰ নির্দেশ অনুযায়ী আমি বাছি লৱ লাগিব যে আমি কোন, কোনটো ভাল কাম কৰি আছো আৰু কোনটো কৰা নাই। কোনটো বেয়া আমি পৰিহাৰ কৰিছো আৰু কোনটো এৰা নাই।

গতিকে এয়া হ'ল সেই যুগ, যিয়ে জগতখনক আল্লাহ তায়লাৰ পৰা দুৰলৈ ঠেলি পঠিয়াইছে আৰু উন্নতিৰ নামত নিতৌ নতুন নতুন চেষ্টা প্ৰচেষ্টা চলাই থকা হৈছে। ঠিক এই সময় খিনিতেই আহমদী সকলৰ কাম হ'ল আল্লাহ তায়লাৰ সৈতে আধ্যাত্মিক সম্পর্ক গঢ়ি তুলিবলৈ চেষ্টা কৰা। আজি কালি আঁহজৰত (ছাঃ) ৰ ভালপোৱাৰ দাবীত বিভিন্ন অন্যায় অত্যাচাৰ মুছলমান সকলৰ ফালৰ পৰা সংগঠিত হৈ আছে। বিভিন্ন ধৰণৰ সংগঠন আৰু চৰকাৰে আঁহজৰত (ছাঃ) ৰ নামত অন্যায় সংগঠিত কৰি আছে। সেই ৰহমাতুল্লিল আলামিনক সিহঁতে নিজৰ আমালৰ দ্বাৰা অন্যায়ৰ এটা নিচান স্বৰূপ বনাইছে। সেয়ে হজৰত মছিহ মাওউদ (আঃ) ৰ আবিৰ্ভাৰ ঘটিছে আৰু আমি ইছলামৰ প্ৰকৃত প্ৰতিচ্ছবি জগত বাসীক দেখুৱাব লাগিব।

গতিকে আমি এই প্ৰকৃত ছবি দাঙি ধৰিবলৈ তেখেত (ছাঃ) ৰ আদৰ্শ অনুসৰণ কৰিব লাগিব। কোৰ'আন কৰিমৰ নির্দেশ মানি চলিবলৈ চেষ্টা কৰিব লাগিব। আমি সদায় চেষ্টা কৰিব লাগিব যে আমাৰ সকলো আমল যেন পাক-পৱিত্ৰ হয় আৰু চয়তানৰ চক্ৰবেহুৰ পৰা দূৰ আৰু ৰহমান খোদাৰ ওচৰত যেন গ্ৰহন যোগ্য হয়। নহলে যেনেকৈ হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে অ-আহমদী সকলেও নমাজ পঢ়ে কিন্তু সিহঁতৰ নমাজ আৰশ মহললৈ নেযায়। আচমানৰ খোদা তায়লাৰ সিহঁতৰ নমাজৰ প্ৰতি কোনো গুৰুত্ব নাই কাৰণ সিহঁতৰ মাজত পৱিত্ৰতা নাই।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে; নমাজক প্ৰকৃত নমাজ বুলি তেতিয়া ক'ব পাৰি যেতিয়া আল্লাহ তায়লাৰ সৈতে সঁচা আৰু পৱিত্ৰ সম্পৰ্ক গঠিত হ'ব আৰু আল্লাহ তায়লাৰ সন্তুষ্টি আৰু আনুগত্যত বিলীন হৈ দ্বীনক দুনীয়াৰ ওপৰত প্ৰাধান্য দিব আৰু আল্লাহ তায়লাৰ বাটত প্ৰাণ বিসৰ্জন দিবলৈ সাজু হৈ পৰিব। যেতিয়া এনে অৱস্থা মানৱ হৃদয়ত জনম লভিব তেতিয়া কব পৰা যাব যে তাৰ নমাজ হ'ল প্ৰকৃত নমাজ। কিন্তু যেতিয়া লৈকে এনে অৱস্থা মানৱ হৃদয়ত জন্ম নহয় আৰু সঁচা পৱিত্ৰতা আৰু আনুগত্যৰ চিন প্ৰস্ফটিত নহয় তেতিয়া লৈকে তাৰ নমাজ আৰু আন আন আমল প্ৰভাৱহীন হৈ থাকে।

প্ৰকৃত নেকি কি ? এই সম্পৰ্কে তেখেত (আঃ) য়ে কৈছে যে; তাকওয়াৰ অৰ্থ হ'ল গোনাহৰ অতি সুক্ষ্ম বাটকো ত্যাগ কৰা। কিন্তু মনত ৰাখিবা নেকি এয়া নহয় যে; এজনে কয় যে মই নেক কাৰণ মই বেলেগৰ ধন আত্মাসাৎ কৰা নাই, চুৰি কৰা নাই, কু-দৃষ্টি বা জিনা কৰা নাই। উল্লেখ কৰে যে এনেকুৱা নেকি খোদা ভক্তৰ ওচৰত হাঁহিয়াতৰ পাত্ৰ কাৰণ যদি তেওঁ এই গোনাহ সমুহত জৰিত হয় তেন্তে শাস্তি পাব। গতিকে এয়া নেকি বুলি কব নোৱাৰি বৰং আচল নেকি হ'ল মানৱ সেৱা আৰু আল্লাহ তায়লাৰ বাটত পূৰ্ণ সত্যতা আৰু আনুগত্য দেখুৱাই তাৰ বাটত প্ৰাণ উচ্চৰ্গা কৰিবলৈ সাজু হৈ যোৱা। সেয়ে উল্লেখ আছে যে ان الله مع الذين اتقوا والذين هم محسنون- অৰ্থাৎ আল্লাহ তায়লা তেওঁলোকৰ লগত আছে, যি সকলে গোনাহ পৰিত্যাগ কৰে আৰু নেকি অৰ্জন কৰে। এয়া মনত ৰাখিবা কেৱল গোনাহ পৰিহাৰ কৰাটো একো গুনাৱলীৰ বিষয় নহয় যেতিয়া লৈকে তাৰ লগত নেকি অৰ্জন কৰা নহয়।

ডাঙৰ ডাঙৰ বেয়াৰ মাজত এটা বেয়া হ'ল, মিছা। মিছাৰ পৰা পৰিত্ৰাণ পাবলৈ হজৰত মছিহ মাওউদ(আঃ) য়ে কৈছে যে; কোৰ'আন কৰিমত কেই হাজাৰ মান নিৰ্দেশ উল্লেখ আছে যিবোৰ মানি চলা নহয়। সাধাৰণ কথাতে সেইবোৰ অমান্য কৰা হয়। সাধাৰণতে দেখা যায় দোকানদাৰ সকলে কিছুমান মিছা কথা কয় আৰু কিছুমানে সলসলীয়াকৈ মিছা মাতে, সেয়ে খোদা তায়লা সিহঁতক বেয়া, পঙ্কিলতাৰ সৈতে ৰাখে। কিন্তু আকৌ কিছুমানে মিছা গল্প, কাহিনী কোৱাৰ পৰা গোনাহ হোৱা বুলি নভাৱে। হাঁহি ঠাট্টাত এনেয়ে মিছা মাতে। এনেকুৱা মানুহক সত্যবাদী বুলি ক'ব নোৱাৰি যেতিয়ালৈকে মিছাৰ সকলো শাখা-প্ৰশাখা সমুলি ত্যাগ নকৰে।

উত্তম চৰিত্ৰ হ'ল এটা আৱৰণ। যিয়ে মানুহক কাজিয়া বিবাদৰ পৰা দুৰত ৰাখে। হজৰত মছিহ মাওউদ (আঃ) য়ে এই বিষয়ে বৰ্ণনা কৰিছে যে; মই দেখিবলৈ পাইছো যে জমাতত পৰস্পৰে কাজিয়া হয় আৰু সাধাৰণ কথাৰ ভিত্তিতে এজনে আনজনৰ মান সন্মানৰ ওপৰত আক্ৰমন চলায়। খোদা তায়লাৰ এটা গুণবাচক নাম ছাত্তাৰ। (এই গুণ নিজতে ধাৰণ কৰি) আকৌ এওঁলোকে কিয় নিজৰ ভায়েকৰ ওপৰত দয়া নকৰে আৰু কোনো দোষ ঢাকি নাৰাখে। ভায়েকৰ দোষ মোচন কৰা

উচিত আৰু তাৰ সন্মান লাঘৰ কৰা উচিত নহয়। এখন সৰু কিতাপত লিখা দেখিছো যে এজন ৰজায় কোৰ'আন হাতেৰে লিখিছিল. তাত এজন মোল্লায় আঙুলিয়াই দিয়ে যে এই আয়াত ভূল লিখিছে। ৰজায় তেতিয়া সেই আয়াতৰ ওপৰত বৃত্ত টানি দিয়ে যে এয়া কাটি দিয়া হ'ব। যেতিয়া মোল্লা গুচি যায় তেতিয়া সেই বৃত্ত ৰজাই কাটি দিয়ে। যেতিয়া ৰজাক প্ৰশ্ন কৰা হয় যে এনেকুৰা কৰিলে কিয় ? ৰজায় উত্তৰ দিয়ে যে আচলতে মোল্লাৰেই ভুল কিন্তু মই তাৰ শান্তনাৰ বাবে ইয়াত বৃত্ত টানিছিলো। উল্লেখ কৰে যে এয়া হ'ল এটা অহংকাৰ আৰু দাম্ভিকৰ মুল আৰু এনে বেমাৰ যে আনৰ ভুল এটা উলিয়াই বেলেগক জনায় দিয়ে। এনে ধৰণৰ কৰ্মৰ পৰা মানুহৰ প্ৰবৃত্তি বেয়া হৈ যায়। গতিকে এয়া এৰাই চলা উচিত। মুল কথা হ'ল এই বিষয় সমুহ তাকওয়াৰ অন্তৰ্ভূক্ত। গোপন আৰু প্ৰকাশ্য সকলো বিষয়তে তাকওয়াৰ ওপৰত চলোতাজন ফিৰিস্তা সদৃশ কাৰণ তাৰ মাজত কোনো ধৰণৰ কপটতা পাবলৈ নাথাকে। সেয়ে উল্লেখ কৰিছে যে তাকওয়া অৰ্জন কৰা কাৰণ তাকওয়াৰ পিছতহে খোদা তায়লাৰ বৰকত অৱতীৰ্ণ হয়। মুত্তাকী সকলক জাগতিক বিপদাৱলীৰ পৰা ৰক্ষা হয়, খোদা তায়লা সিহঁতৰ আৱৰণ হৈ যায়। উল্লেখ কৰে যে বহুত মানুহ আছে, সিহঁতৰ অভ্যাস এনেকুৰা যে নিজৰ ভায়েকৰ ওপৰত অপৱিত্ৰ দোষ জাপি দিয়ে। এনে বেয়া অভ্যাস ত্যাগ কৰা উচিত। মানৱ জাতিৰ উপকাৰ সাধন কৰা আৰু নিজৰ ভায়েকৰ সৈতে সহানুভুতি আৰু ওচৰ-চুবুৰীয়াৰ সৈতে সজ ব্যাৱহাৰ কৰা উচিত। নিজৰ ভায়েকৰ সৈতে নেক আচৰণ কৰা আৰু সৰ্বপ্ৰথমে শিৰিকৰ পৰা আঁতৰত থাকা কাৰণ এয়া হ'ল তাকওয়াৰ প্ৰাথমিক ইটা।

নিজৰ ভায়েকৰ ভুল এটা দেখিলে কি কৰিব লাগে এই বিষয়ে তেখেত (আঃ) য়ে কৈছে; মই মোৰ জমাতৰ বাবে বৰ চিন্তিত কাৰণ এতিয়াও এওঁলোকে সামান্য কথাতে ক্ৰোধান্বিত হৈ পৰে। সভাৰ মাজত কোনোবাজনক বুৰ্বক কোৱাটো যুক্তি যুক্ত নহয় বৰং ডাঙৰ এটা ভুল। যদি নিজৰ কোনো ভায়েকৰ ভুল দেখিবলৈ পোৱা তেন্তে দোৱা কৰা যে আল্লাহ তাক ৰক্ষা কৰক। আনফালে যেনেকৈ বন্ধুত্ব ভাৱে মৰম চেনেহেৰে নিজৰ সন্তানক বুজনি দিয়ে তেনেকৈ নিজৰ ভায়েকৰ সৈতে আচৰণ কৰিব লাগিব। যাৰ চৰিত্ৰ ভাল নহয় তাৰ ঈমান বিপদজ্জনক কাৰণ তাৰ মাজত দাম্ভিকতা আছে। তত্তবা কৰা, ইস্তেগফাৰ আৰু দোৱাৰ সহায় লোৱা। উল্লেখ কৰে যে আমাৰ বিজয় লাভৰ অস্ত্ৰ হ'ল; তওৱা,ইস্তেগফাৰ, দ্বীনি শিক্ষা, খোদা তায়লাৰ মহত্বৰ ওপৰত নিৰ্ভৰ কৰি পাঁচ ওয়াক্ত নমাজ আদায় কৰা। নমাজ হ'ল দোৱা গৃহীত হোৱাৰ চাবি কাঠি। নমাজৰ সময়ত দোৱা কৰিবা আৰু প্ৰত্যেক গোনাহৰ পৰা দুৰত থাকিবা। হয়তো সেয়া হকুকে ইলাহি সম্পৰ্কে হওঁক অথবা হককুল ইবাদ সম্পৰ্কেই হওঁক।

আল্লাহ তায়লা আমাক এই মান অৰ্জনৰ তৌফিক দান কৰক। হজৰত মছিহ মাওউদ (আঃ)ৰ বয়াতৰ উদ্দেশ্য বুজাৰ তৌফিক দান কৰক। আৰু ইয়াৰ প্ৰকৃত তত্ত্ব জগত বাসীক বুজাবলৈ সামৰ্থ দান কৰক। এই বিষয়ে আমি যেন সকলো দক্ষতা আৰু শক্তি ব্যাৱহাৰ কৰোঁতা হওঁ। (আমিন)

*********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 25 August 2017**

**BOOK POST (PRINTED MATTER)**

**To**

---------------------------------------------------------------------------

---------------------------------------------------------------------------

---------------------------------------------------------------------------

---------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737**